# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৮ জুন তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ . بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ . اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ . الرَّحْمٰنِ الرَّحِيْمِ . مٰلِكِ يَوْمِ الدِّيْنِ . اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ . اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ . صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ .

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানে কেইবা জুমাৰ খোতবাত হজৰত উমৰ (ৰাঃ)ৰ জীৱন চৰিত সম্পৰ্কে বৰ্ণনা চলি আছে। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যুৰ সময় ঘনাই আহিছিল তেতিয়া তেখেত (ৰাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)আৰু হজৰত উচমান (ৰাঃ)ক পৃথকে পৃথকে মতাই আনি এওঁলোক দুজনৰ সৈতে হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে সুধিছিল। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক উত্তম লোক বুলি উল্লেখ কৰি তেখেতৰ কঠিন মানসিকতা সম্পৰ্কে উল্লেখ কৰে। এই মন্তব্যৰ ওপৰত হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে হজৰত উমৰ (ৰাঃ)য়ে কঠোৰতা অৱলম্বন কৰাৰ কাৰণ হ'ল তেওঁ মোৰ মাজত বেছি কোমলতা দেখিবলৈ পাইছিল। যেতিয়া নেতৃত্বৰ ভাৰ তাৰ ওপৰত পৰিব তেতিয়া তেওঁ নিজৰ ফালৰ বহু কথা এৰি দি চলিব। হজৰত উচমান (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ সকলো বিষয়তে সপক্ষে ৰায় প্ৰদান কৰিছিল আৰু নিবেদন কৰিছিল যে উমৰৰ অন্তৰ তাৰ প্ৰকাশ্য অবয়ৱতকৈ অধিক উত্তম। সেই দিন কেইটাৰ ভিতৰতে এদিন হজৰত তালহা বিন উবেয়দুল্লাহ (ৰাঃ) হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওচৰত আহি হজৰত উমৰ (ৰাঃ)ৰ কঠোৰ আচৰণ সম্পৰ্কে প্ৰকাশ কৰি কয় যে খোদা তা'লায় আপোনাক আপোনাৰ শাসনাধিস্থ (প্ৰজা) সম্পৰ্কে সোধ-পোছ কৰিব। এই কথা শুনি হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল যে যেতিয়া মোৰ সৃষ্টি কৰ্ত্তাই মোক উমৰৰ সম্পৰ্কে সুধিব তেতিয়া মই উত্তৰ দিম যে মই তোমাৰ বান্দা সকলৰ মাজত আটাইতকৈ উত্তম বান্দাজনক তোমাৰ বান্দা সকলৰ খলিফা পাতি থৈ আহিছো।

ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উচমান (ৰাঃ)ক মাতি আনি তেখেতক হজৰত উমৰৰ পক্ষে অছিয়ত লিখুৱাইছিল। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে হজৰত উচমান (ৰাঃ)য়ে সেই অছিয়ত লিখি থাকোতেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে অচেতন হৈ পৰিছিল, ঠিক তেতিয়া হজৰত উচমান (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ নাম লিখিছিল। আকৌ যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে চেতনা ঘূৰাই পাইছিল তেতিয়া সুধিছিল যে তুমি কি লিখিছা ? উত্তৰত হজৰত উচমান (ৰাঃ)য়ে কৈছিল যে মই উমৰ (ৰাঃ)ৰ নাম লিখিছো, যাৰ কথা মই

ভাৰিছিলো।

যেতিয়া সেই অচিয়ত লিখা হৈ গৈছিল তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিৰ্দেশ দিছিল যে সেয়া পঢ়ি লোকক শুনাই দিয়া যাওঁক। সেয়ে হজৰত উচমান (ৰাঃ)য়ে লোকক মাতি আনি গোট খুৱাই সেই অচিয়ত (চনদ) পঢ়ি শুনাইছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে লোকক সুধিছিল যে তোমালোকে এই বিষয়ে সন্মত আছেনে, যাক মই তোমালোকৰ বাবে খলিফা নিযুক্ত কৰিছোঁ ? মই মোৰ কোনো আত্মীয়ক তোমালোকৰ খলিফা বনোৱা নাই। আল্লাহৰ শপত ! মই এই সম্পৰ্কে চিন্তা-ভাৱনা কম কৰা নাই, গতিকে তোমালোকে তাৰ আনুগত্য কৰিবা। এই কথাবোৰ শুনি লোকসকলে কৈছিল যে আমি শুনিছো আৰু আনুগত্য স্বীকাৰ কৰিছোঁ।

ইয়াৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক মতাই আনিছিল আৰু তেখেত (ৰাঃ)ক তাকওৱা ধাৰণ কৰাৰ আৰু লোকৰ সৈতে কোমল আচৰণ কৰাৰ শিক্ষা দিছিল।

হজৰত উমৰ (ৰাঃ)য়ে খলিফা পদত অধিষ্ঠিত হোৱাৰ পিছত, প্ৰথমে যিটো ভাষণ প্ৰদান কৰিছিল, সেই সম্পৰ্কে বিভিন্ন ধৰণৰ ৰিৱায়ত পোৱা যায়। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল- আল্লাহ তা'লা তোমালোকক মোৰ জৰিয়তে আৰু মোক তোমালোকৰ জৰিয়তে পৰীক্ষা কৰিছে। তোমালোকৰ যিবোৰ সমস্যা মোৰ ওচৰত আহিব, সেয়া মোৰ বাহিৰে কোনেও দেখা নাপাব আৰু যিবোৰ সমস্যা মোৰ পৰা আঁতৰত উদ্ভৱ হ'ব তাৰ বাবে মই দক্ষ আৰু সত্যবাদী লোকক সেয়া সমাধানাৰ্থে নিযুক্ত কৰিম। আৰবীয়ান সকলৰ উদাহৰণ হ'ল লেকামত বন্ধা উটৰ দৰে যিয়ে নিজৰ পৰিচালকৰ পিছে পিছে চলে। গতিকে পৰিচালকে লক্ষ্য ৰাখিব যে তেওঁ কেনেদৰে তাৰ উটক খেদি লৈ গৈ আছে। গতিকে যিমান দূৰলৈ মোৰ বাবে সম্ভৱ মই নিশ্চয় তেওঁলোকক সজ বাটত পৰিচালিত কৰিম।

হজৰত উমৰ (ৰাঃ)য়ে খলিফা হিচাপে নিযুক্ত হোৱাৰ তৃতীয় দিনা এটা দীঘলীয়া ভাষণ প্ৰদাম কৰিছিল। সেই ভাষণত প্ৰথমে আল্লাহ তা'লাৰ প্ৰশংসা আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত দৰূদ,ছালাম পাঠ কৰাৰ পিছত কয় যে মই এয়া গম পাইছো যে মানুহে মোৰ উগ্ৰ মন-মানসিকতালৈ ভয় কৰে। ৰছুলুল্লাহ (ছাঃ)ৰ পদবী কালত আৰু আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত নিশ্চয় মই তেখেত দুজনৰ হাতত লৈ থকা এডাল উন্মোক্ত তৰোৱাল আছিলো। তেখেত সকলে বিচাৰিলে মোক খাপত সোমাই ৰাখিব পাৰিলেহেঁতেন আৰু বিচাৰিলে মোক উলিয়াই লৈ কোনোবাক কাটিব পাৰিলেহেঁতেন। কিন্তু এতিয়া হে লোক সকল ! মই তোমালোকৰ সকলো কামৰ মুৰব্বী হৈ গৈছো। এতিয়া সেই উগ্ৰতা নিস্তেজ কৰি দিয়া হৈছে আৰু এতিয়া সেই ক্ৰোধ মুছলমান সকলৰ ওপৰত জুলুম কৰা সকলৰ ওপৰতহে প্ৰকাশ পাব। সেই সকল লোক যি সকলে সজ দ্বীনদাৰ,গুণবান, মই তেওঁলোকৰ লগত তাতকৈ বেছি কোমল বুলি প্ৰমাণিত হ'ম, যি কোমল আচৰণ তেওঁলোকে বেলেগৰ সৈতে কৰে। হে লোক সকল ! তোমালোকৰ মোৰ ওপৰত অধিকাৰ আছে যে মই মালে গনিমত আৰু সেই ধন মাল যিবোৰ তোমালোকৰ নিমিত্তে খৰচ কৰা হ'ব,তাৰ পৰা অলপো যেন মই আত্মসাৎ নকৰো। তোমালোকৰ বেতন আৰু দৈনিক পাৰিশ্ৰমিক যেন প্ৰদান কৰি থাকো। তোমালোকক যেন ধ্বংসৰ গৰাহলৈ ঠেলি নিদিওঁ। যেতিয়া তোমালোকে সৈন্য বাহিনীত যোগ দি ঘৰৰ পৰা আঁতৰি থাকিবা তেতিয়া মই যেন তোমালোকৰ পৰিয়ালৰ পিতৃৰ দায়িত্ব পালন কৰিব পাৰো।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ খিলাফৎ কাল সম্পৰ্কে বৰ্ণনা কৰোঁতে উল্লেখ কৰিছে যে হজৰত উমৰ (ৰাঃ)য়ে ইছলাম আৰু মুছলমান সকলৰ উন্নতি কল্পে ইমানেই কোৰবাণী (ত্যাগ স্বীকাৰ) কৰি থৈ গৈছে যে এজন ইউৰোপীয় লিখক,যিজনে ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত সদায় অভিযোগ উত্থাপন কৰি থাকিছিল, তেওঁ হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে উল্লেখ থকা বৰ্ণনা বিশ্বাস কৰিবলৈ বাধ্য হৈছে

যে যিমান পৰিশ্ৰমেৰে আৰু আত্ম ত্যাগেৰে এওঁলোকে কাম কৰি গৈছে, পৃথিৱীত কোনো ৰজাৰ মাজতেই তাৰ দৃষ্টান্ত দেখিবলৈ পোৱা নাযায়।

হজৰত উমৰ (ৰাঃ)ৰ কঠোৰ মানসিকতা আৰু গভীৰ প্ৰজ্ঞাৰ আচৰণৰ বহিঃপ্ৰকাশ একমাত্ৰ ৰছুলে কৰিম (ছাঃ)ৰ দাসত্ব আৰু খোদা তা'লাৰ ভয়ৰ কাৰণে ঘটিছিল, এই বিষয়টো প্ৰমাণ কৰিবলৈ গৈ হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে সদায় আঁ-হজৰত (ছাঃ)ৰ সঙ্গ লাভ কৰা, এনেকুৱা কোনো ব্যক্তিয়ে মৃত্যুৰ সময়ত এয়া নকৈ ইচ্ছা প্ৰকাশ কৰিবনে যে তেওঁ যেন ৰছুলে কৰিম (ছাঃ)ৰ শ্ৰীচৰণত স্থান পায় ? যদি ৰছুলে কৰিম (ছাঃ)ৰ কোনো এটা কামৰ দ্বাৰা এয়া প্ৰমাণিত হ'লহেঁতেন যে তেখেত (ছাঃ)য়ে খোদা তা'লাৰ সন্তুষ্টিৰ বাবে কাম কৰা নাই তেন্তে হজৰত উমৰ (ৰাঃ)ৰ দৰে লোকে এই স্থানত অধিষ্ঠিত হৈ এনে ধৰণৰ ইচ্ছা প্ৰকাশ কৰিলেহেঁতেন,নে যে তেখেতে আঁ-হজৰত (ছাঃ)শ্ৰী চৰণত স্থান পাওঁক ?

হজৰত উমৰ (ৰাঃ)ৰ পৰিয়াল বৰ্গই ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি অনা ঈমান সম্পৰ্কে হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়া মুছলমান সকলৰ হাতত ইৰাণ বিজয় হৈছিল আৰু তাৰ পৰা মিহি আটা বনোৱা চাক (চাক্কি) লৈ অনা হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে সেই চাক্কিৰে পিহ কৰা (গুৰি কৰা) মিহি আটা প্ৰথমে হজৰত আয়শা (ৰাঃ)লৈ পঠোৱাই দিছিল। হজৰত আয়শা (ৰাঃ)য়ে সেই আটাৰে বনোৱা এটুকুৰা ৰুটি মুখত দিওঁতেই আঁ-হজৰত (ছাঃ)ৰ হৃদয় স্পৰ্শী প্ৰেমৰ শিহৰণে তাইৰ হৃদয় বিদীৰ্ণ কৰি দিছিল আৰু দুধাৰি চকুলো বৈ আহিছিল। তেতিয়া হজৰত আয়শা (ৰাঃ)য়ে কৈছিল যে যাৰ কাৰণে আজি আমি এই নিয়ামত লাভ কৰিব পাৰিছোঁ; সি এই নিয়ামতৰ পৰা বঞ্চিত হৈ গুচি গৈছে কিন্তু আমি সেয়া ব্যৱহাৰ কৰিবলৈ পাইছো। হজৰত উমৰ (ৰাঃ)য়ে হজৰত ইমাম হাচান (ৰাঃ) আৰু হুছেইন (ৰাঃ)ক বৰ সন্মান কৰিছিল। যেতিয়া হজৰত উমৰ (ৰাঃ)য়ে লোকৰ বাবে বেতন (অজিফা) নিৰ্ধাৰণ কৰিছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ আত্মীয়-স্বজনৰ পৰা আৰম্ভ কৰিছিল। এখেত (ৰাঃ)য়ে সৰ্ব প্ৰথম হজৰত আববাছ (ৰাঃ) আৰু হজৰত আলি (ৰাঃ)ৰ অংশ নিৰ্ধাৰণ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা ইনশা আল্লাহ আগলৈ আৰু চলিব। ইয়াৰ পিছত যিসকল মৰহুমিনৰ বিষয়ে চমু বিৱৰণী দিয়াৰ আৰু নমাজ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে তাৰে প্ৰথমজন হ'ল ছুহেলা মেহবুব চাহিবা,পত্নী ফয়েজ আহমদ চাহাব গুজৰাটী দৰবেশ মৰহুম নাজিৰ বায়তুল মাল। এখেত চাহিবা ৯০ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। আল্লাহৰ কৃপাত তাই মুচিয়াহ আছিল। তাই বিহাৰৰ বাসিন্দা এটা উচ্চ শিক্ষিত পৰিয়ালৰ সদস্য আছিল। তাইৰ দেউতাকে আহমদী নাছিল। কিন্তু তাইৰ নিজৰ মাকে নিজৰ দেউতাকৰ বয়াতৰ পিছত নিজে পঢ়া-শুনা কৰি বয়াত গ্ৰহণ কৰিছিল। মৰহুমা ওৱাকফে জিন্দেগীত চামিল আছিল। সেই সময়ৰ নাজিৰ খিদমত দৰবেশান হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ওৱাকফেৰ চিঠিৰ উত্তৰত তাইক লিখিছিল যে মই আপোনাৰ ওয়াকফে সম্পৰ্কে জানিব পাৰিছো আৰু আপোনাৰ এই কামৰ পদক্ষেপ সন্মান যোগ্য। ওয়াকফেৰ অধীনত আপোনাৰ প্ৰথম দায়িত্ব হ'ল দ্বীন সম্পৰ্কে জ্ঞান অৰ্জন কৰা,আপোনাৰ আমল ইছলাম আৰু আহমদীয়তৰ শিক্ষানুসৰি বনোৱা যাতে এটা উত্তম আদৰ্শ স্থাপন হয়। ১৯৬৪ চনত মৰহুমায় চৌধুৰী আব্দুল্লাহ চাহাব দৰবেশৰ সৈতে বিবাহ বন্ধনত আবদ্ধ হৈছিল আৰু এজনী জীয়েকৰ জন্ম হোৱাৰ পিছত বিবাহ বিচ্ছেদ ঘটে। পিছত চৌধুৰী ফয়েজ আহমদ চাহাব গুজৰাটী দৰবেশৰ সৈতে দ্বিতীয়বাৰ বিয়া হয় আৰু তাত এজন পুত্ৰ সন্তানৰ জন্ম হয় যদিও কেচুৱাতেই পুত্ৰ জনৰ মৃত্যু হৈছিল। মৰহুমা প্ৰায় ত্ৰিশ বছৰ নুচৰত গাৰ্লচ হাই স্কুল কাদিয়ানত প্ৰধান শিক্ষয়ত্ৰিৰ দায়িত্ব পালন কৰি অৱসৰ গ্ৰহণ কৰে।

ইয়াৰ পিছৰ জন মৰহুমৰ নাম হ'ল মকৰম শ্বেখ মোবাশ্বিৰ আহমদ চাহাব ইবনে শ্বেখ ইছৰাৰ আহমদ চাহাব (কেৰং,উৰিষ্যা,ইণ্ডিয়া)চুপাৰ ভাইজাৰ নিজামত তামিৰাত আছিল) এখন পুৰণি আহমদী বংশৰ লোক আছিল। এখেত সৎ চৰিত্ৰবান,নমাজী আৰু দ্বীনৰ খিদমতলৈ সদায় সাজু থকা লোক আছিল। কেইদিনমান আগত ক'ৰোনাত আক্ৰান্ত হৈ ৩৩ বছৰ বয়সত মৃত্যু বৰণ কৰিছে। মৰহুমে জন্মগত আহমদী আছিল। সৰুৰে পৰাই তেওঁ মছজিদৰ সৈতে বিশেষ সম্পৰ্ক ৰাখি চলিছিল। আঠ বছৰ ধৰি মৰহুমে নিজামতে তামিৰাত কাদিয়ানত সদ আচৰণেৰে সৈতে চুপাৰ ভাইজৰ হিচাপে খিদমত আগবঢ়াই আহিছে। মৰহুমে মৃত্যু কালত পিতৃ-মাতৃ দুজন ভাই আৰু এজনী ভনী আৰু পত্নীক এৰি থৈ গৈছে। ইয়াৰ পিছত মকৰম ৰাজা খুৰশিদ আহমদ মনিৰ চাহাব (মুৰব্বী ছিলছিলা) মকৰম জমিৰ আহমদ নাদিম চাহাব (মুৰব্বী ছিলছিলা, মাবিন নাজিৰ অচিয়ত শোবা ইস্তেকবালিয়া) মকৰম ঈছা মকি তিলমিয়া চাহাব (ন্যাশনাল নায়েব আমিৰ তানজানিয়া) মকৰম ছঈফ আলি চাহাব (ছিডনি অষ্ট্ৰেলিয়া) মকৰম মাছুদ আহমদ হায়াত চাহাব (বৃটেইন) আদি লোক সকলৰ চমু পৰিচয় আগবঢ়োৱাৰ পিছত সকলো মৰহুমিনৰ বাবে মাগফিৰাত আৰু উন্নীত মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে আৰু খোতবা জুমাৰ সামৰণি টানে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 18 JUNE 2021**

## BOOK POST (PRINTED MATTER)

TO,
.....................................................................................................
.....................................................................................................
.....................................................................................................
.....................................................................................................
.....................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**